# শাকৰ কবিতা

## ড° পূৰ্ণ ভট্টাচাৰ্য

আইতাই যে আমাৰ নিজৰ বাৰীৰ
শাক ৰান্ধিছিল, মলমৰ দৰে মলমি গৈছিল।

সোৱাদো আছিল
বৰ অনুপম।

তেলনো দিছিল কিমান
ঘামচি ভঙা বৰষুণৰ দৰে ছটিয়াইছিল কেৰাহীত
যাউতিযুগীয়া ৰান্ধনিঘৰৰ মিঠাতেলৰ বটলটোৰে।

ককাই আইতাক কৈছিল
অলপ বেঙেনাও কাটি দিবি সৰু সৰুকৈ

অলপ বেথাতে পমি যোৱা
আমাৰ গাঁৱৰ সহজ-সৰল মানুহৰ দৰে
সহজতে পমি যাব।

পমিও গৈছিল
আমি ভাতৰ কাঁহী চেলেকি
খাইছিলোঁ শাকৰ ৰৈ যোৱা বুকুৰ গোন্ধ!

এতিয়া চহৰতো মাঘৰ মেজিৰ দৰে
দ'ম বান্ধিছে শাকৰ বজাৰে

সাহসতকৈও বেছি সেউজীয়া যেন লাগে
চকুৰে দেখাত।

অথচ
বজাৰৰ লহপহীয়া শাক
আমাৰ চৰুত নিসিজে

অভং ডেকা ল'ৰাৰ চুটি চুটিকৈ কটা
মূৰৰ চুলিৰ দৰে কেৰাহীতে ঠৰঙা লাগে।

বোলোঁ কওঁনো কাক
শুনিবনো কোনে অ' বাপুকণ

কুটুমৰ তেজেৰে কুটুমে বন্তি জ্বলালে
জীৱনৰ মজিয়া ভকেভকাবয়...

# জোনাকী পৰুৱাবোৰ উৰি যোৱা বাটটোৰেদি যাওঁ

## প্ৰাণজিৎ মহন্ত

জোনাকী পৰুৱাবোৰ উৰি যোৱা বাটটোৰেদি যাওঁ

পাৰ হৈ যায়
হঠাৎ কাযেদি কোনোবা

বতাহত উৰি অহা গাৰ গোন্ধটো তেওঁৰ
তোমাৰ দৰেইচোন
মুখখন দেখোঁ বুলি চাওঁ উভতি তৎক্ষণাৎ
কিন্তু মনি পোৱা নাছিলোঁ একোকে
যি বৰষুণ আন্ধাৰৰ
দবা-পিটা

# বহু কথা ক'লোঁ তোমাক

## ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

বহু কথা ক'লোঁ তোমাক
সাঁচি ৰাখিবা সযতনে
সময়ত কথাবোৰ
গান হ'ব

গানেৰে ভৰি পৰিব
তোমাৰ কণ্ঠ
এটাৰ পিছত এটাকৈ
গাই যাবা
আৰু মই ওচৰত বহি
আপোন মনে শুনিম

তোমাৰ গান
মোৰ প্ৰাণ
তোমাৰ গানতেই মোৰ
চিৰদিন-চিৰকাল

বহু কথাই ক'লোঁ অতদিনে
তুমিও গালা গান একান্ত মনে
এতিয়া মোৰ বৃদ্ধকাল
তোমাৰ গান শুনি
হৃদয় জুৰোৱাই ভাল

# যৌথ ৰ'দবোৰ

## মিহিৰ মৌচুম ৰয়

ৰ'দজাক মুকলি হৈ উৰিছে

বুলবুলি চৰাইজাকৰ হেঁপাহ বাঢ়িছে
মদাৰজোপাৰ সৈতে
সলনি কৰিছে হৃদয়

সকলো শইচৰ সুগন্ধি ৰং
গাঁওখনলৈ ছটিয়াই থৈ
পথাৰখন ঢাৰি পাৰি শুইছে
ৰ'দে-বৰষুণে যুঁজি তাই
বৰ দুৰ্বল হৈছে

এলাগি মদাৰজোপাৰ ওঁঠত
হাঁহি উজলিছে
চাগে, উৰণীয়া ৰ'দজাক
মদাৰজোপাৰ ওঁঠলৈকে বিয়পিছে

সাহসী হৈছে
যৌথ ৰ'দবোৰ।

# মহাকৰুণাৰ দিব্যা

## কিশোৰ মনজিৎ বৰা

ৰাজেন্দ্ৰনগৰ এক্সপ্ৰেছত পাটনাৰপৰা
তেওঁ আহিছিল
গাত ঢেঁকীয়াপতীয়া বতাহ

উঁইৰ এম্ব্ৰইডাৰি
হাতৰ মেহেন্দি আৰু
সোণালী ঘড়ীৰ টিক টিক মৌনতা

সূৰ্যোদয়ৰ এৰীয়া গাত লৈ
আমাৰ চেঁচুক বাটত সিঁচি গ'ল
বৃন্দাবনৰ নতুন ধল

তেওঁৰ কোলাত দধিমথনৰ কানাই শুই
আছিল নে
কাশ্মীৰৰ ধোঁৱাৰ মাজৰ এপাহ
আপেলৰ ফুল

বহু কথাই অনিৰ্ণেয়
জীৱনৰ বহু টুকুৰা ঘটনা-উপঘটনা
মহাপৃথিৱীৰ অনেক স্বপ্ন-মৃত্যুৰ
হামৰাও পৰি থাকে অজানা
ছাঁ-পোহৰৰ বন্দৰত

সমুদ্ৰ সৈকত অংগীকাৰেৰে
বাৰে বাৰে শিলৰ পাহাৰত পোহৰৰ
দুবাৰ কাটে মানুহে
ছিন্ন-ভিন্ন হয় কালৰ আঁচোৰত
আৰু প্ৰতিবাৰ হতাশাৰ গভীৰ শয়নৰ
ঠিক মাজভাগতে হঠাৎ
মকৰাজালৰ শুভ্ৰ বয়ন দেখি উজ্জীৱিত
হয় মানুহ, মানুহৰ মননৰ সূক্ষ্ম
তাঁৰবোৰ

তাৰ মাজতে গোলাপৰ এচলু ৰহণ সানি
জীৱনলৈ নামে সেই সূৰ্যৰতী
পাটনাৰ কোনো অখ্যাত গোৱালী
অথবা
শিলৰ তৰপ তৰপ আন্ধাৰৰ মাজৰ
দোদুল্যমান বতাহ

জবাফুলৰ নলীয়েদি উজাই অহা সেই
মহাকৰুণাৰ দিব্যা